# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-03-2026
**Time :** 0755 Hrs.

## ***Assamese Morning Bulletin***

0000000

নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা নাই যদিও প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি কৰিছে। বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত কালি এটা যোগদান কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিপিএফ আৰু অসম গণ পৰিষগৰ সৈতে নিৰ্বাচন কেন্দ্ৰিক মিত্ৰতাৰ বিষয়ে সদৰি কৰে। তেওঁ দুয়োটা ৰাজনৈতিক দলৰ সৈতে মিত্ৰতাৰ বিষয়টোত ৰাষ্ট্ৰীয় নেতৃত্বৰ অনুমোদন লাভ কৰাৰ পাছতে এই সন্দৰ্ভত চূড়ান্ত ঘোষণা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

***বাইট (চি এম)***

মুখ্যমন্ত্ৰীয়ে বকো, দুধনৈ আৰু গোৱালপাৰা পশ্চিম সমষ্টিৰ বাবে ৰাভা যৌথ সংগ্ৰামী মঞ্চৰ সৈতেও মিত্ৰতাৰ সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ কয়।

নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত কংগ্ৰেছ দলৰ তিনিগৰাকী বিধায়কে কালি বিজেপিত যোগদান কৰে। বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে অন্যান্য শীৰ্ষ নেতাৰ উপস্থিতিত ৰহাৰ বিধায়ক শশীকান্ত দাস, মংগলদৈৰ বিধায়ক বসন্ত দাস আৰু উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই দলটোত যোগ দিয়ে।

নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে দলটোৱে কালি ধেমাজিৰ পৰা জোনাইলৈ আয়োজন কৰা **জন আশীৰ্বাদ** যাত্ৰাত দলটোৰ জ্যেষ্ঠ নেতা মুখ্যমন্ত্ৰী ড° শৰ্মাই অংশগ্ৰহণ কৰে। এই যাত্ৰাত মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সাংসদ প্ৰদান বৰুৱায়ো ভাগ লয়।

উল্লেখযোগ্য যে, বিৰোধী দল কংগ্ৰেছৰ লগতে ৰাইজৰ দলে ইতিমধ্যে এখনকৈ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। কংগ্ৰেছ দলে ৪২ গৰাকী আৰু ৰাইজৰ দলে ১১ গৰাকী প্ৰাৰ্থীৰে প্ৰথমখন তালিকা ঘোষণা কৰিছে।

0000000

কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ চকিহোলা থানাৰ অন্তৰ্গত ইংলং ইকপি পাহাৰত কালি সন্ধিয়া ছুখয় 30 MKI শ্ৰেণীৰ এখন যুঁজাৰু বিমান দুৰ্ঘটনাত পতিত হৈছে। স্থানীয় লোকে সন্ধিয়া বিমানখন থকা পাইলট দুগৰাকীৰ সন্ধান অভিযান এতিয়াও অব্যাহত আছে। ভাৰতীয় বায়ুসেনা বাহিনীয়ে তেওঁলোকৰ X হেণ্ডেল যোগে কালি সন্ধিয়া ৭ বাজি ৪২ মিনিটৰ পৰা যুঁজাৰু বিমানখনৰ সৈতে ৰাডাৰৰ যোগাযোগ বিচ্ছিন্ন হোৱা বুলি সদৰী কৰি উদ্ধাৰ অভিযান আৰম্ভ কৰাৰ কথা প্ৰকাশ কৰিছে। অৱশ্যে এই দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত

এতিয়াও সবিশেষ কোনো তথ্য লাভ কৰিব পৰা হোৱা নাই। পাহাৰত খুন্দা মৰাৰ ফলতেই বিমানখন দুৰ্ঘটনাত পতিত হয় বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে।

যোৰহাটৰ বায়ুসেনা বাহিনীৰ পৰা ৫ খন এম্বুলেন্সসহ এটা দল ইতিমধ্যে ঘটনাস্থলীলৈ ৰাওনা হৈছে। ঘটনাৰ পাছতেই বায়ুসেনা ঘাটিত বিশেষ সতৰ্কতা জাৰি কৰা হৈছে।

০০০০০০০

নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীৰ লাচিতঘাটত ব্ৰহ্মপুত্ৰ আলোকস্তম্ভৰ আধাৰশিলা স্থাপন কৰে। বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটত মুঠ ৮৪ কোটি টকা ব্যয় সাপেক্ষে এই আলোকস্তম্ভসমূহ নিৰ্মাণ কৰা হ'ব। এই আলোকস্তম্ভসমূহে ব্ৰহ্মপুত্ৰৰ জলভাগেৰে সুৰক্ষিত আৰু নিৰবচ্ছিন্ন জাহাজ চলাচল, ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, প্ৰমোদতৰী, পৰ্যটন তথা থলুৱা উদ্যমিতাৰ প্ৰসাৰ আৰু কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ব্ৰহ্মপুত্ৰক পূৰ্ণাংগ মালবাহী কৰিডৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অভ্যন্তৰীণ জলপথত আলোকস্তম্ভ আন্তঃগাঁথনি স্থাপনৰ পথ প্ৰশস্ত হৈছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এয়া ৰাজ্যখনৰ বাবে এটা গৌৰৱৰ মুহূৰ্ত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বহনক্ষম অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি বুলি মন্তব্য কৰে।

০০০০০০

ডিব্ৰুগড়ৰ বগীবিলত অবৈধভাৱে সৰবৰাহ কৰা গৰু ভৰ্তি এখন ট্ৰাক কালি আৰক্ষীয়ে জব্দ কৰিছে। ধেমাজি জিলাৰ পৰা আহি থকা ট্ৰাকখন ১২ টাকৈ গৰুসহ জব্দ কৰাৰ লগতে বগীবিল আৰক্ষীয়ে আন এখন ব্যক্তিগত বাহনো এই সন্দৰ্ভত জব্দ কৰে। ঘটনাটোৰ সৈতে জড়িত দুজন ব্যক্তিক আৰক্ষীয়ে আটক কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

**সমাপ্ত**